**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্য প্ৰদেশৰ চাটাৰপুৰ জিলাৰ বাগেশ্বৰ ধামত অনুষ্ঠিত সমূহীয়া বিবাহৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

২। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি অৰুণাচল প্ৰদেশৰ কামলে জিলাত অনুষ্ঠিত যৌথ ন্যোকুম ইউলো উৎসৱত অংশগ্ৰহণ কৰে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে মধ্যবিত্ত শ্ৰেণীৰ কৃষক আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া কোম্পানীসমূহৰ বাবে লাভজনক বাজেট উত্থাপন কৰা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দাবী কৰিছে।

৪। চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘসমূহক বিত্তীয় সাহায্য প্ৰদানৰ নীতি নিয়মৰ সংশোধন কৰিবলৈ এখন ছজনীয়া কমিটি গঠন কৰিছে।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ বিৰ এখন খেলত আফগানিস্তানে ইংলেণ্ডক জয়ৰ বাবে ৩২৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ০

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে মহিলা সকলে স্বাৱলম্বি আৰু আত্মনিৰ্ভৰ হবলৈ চেষ্টা কৰিব লাগে। তেওঁ কয়, যে মহিলাসকল সফল হলেহে আমাৰ সমাজ আৰু দেশ সফল হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি মধ্য প্ৰদেশৰ চাটাৰপুৰ জিলাৰ বাগেশ্বৰ ধামত অনুষ্ঠিত ২৫১ গৰাকী ছোৱালীৰ সমূহীয়া বিবাহৰ কাৰ্যসূচীত ভাষণ দি এইদৰে কয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে এখন উন্নত ভাৰত গঢ়াৰ চৰকাৰৰ সংকল্প দেশৰ সকলো শ্ৰেণীৰ লোকৰ সম উন্নয়নৰ দ্বাৰা হে সম্ভৱ হ'ব। ৰাষ্ট্ৰপতি গৰাকীয়ে নৱ বিবাহিত দম্পতি সকলক বস্ত্ৰও উপহাৰ স্বৰূপে আগবঢ়ায়। দম্পতিসকলক ঘৰুৱা সামগ্ৰীৰ সৈতে চিলাই মেচিন আৰু আটা মিল উপহাৰ হিচাপে দিয়াৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে আনন্দ প্ৰকাশ কৰে।

অনুষ্ঠানত ৰাজ্যপাল মঞ্জু ভাই পেটেল আৰু মুখ্যমন্ত্ৰী ড০ মোহন যাদৱো উপস্থিত থাকে। বাগেশবৰৰ পৰা ৰাষ্ট্ৰপতিগৰাকী বদোদৰালৈ যাব।

০০০০

সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত উৎসৱসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে প্ৰকাশ কৰিছে। অৰুণাচল প্ৰদেশৰ কামলে জিলাৰ বোৰাচিমলাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত যৌথ ন্যোকুম ইউলো উৎসৱ উদযাপনত অংশগ্ৰহণ কৰি আজি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য কৰে। ভাৰতক বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি বুলি উল্লেখ কৰি তেওঁ বিশ্বৰ অন্য ৰাষ্ট্ৰৰ তুলনাত দেশৰ অৰ্থনৈতিক

বৃদ্ধি, আন্তঃগাঁথনি উন্নয়ন, আৰু সমাজ কল্যাণমূলক আঁচনিৰ ৰূপায়ণত উল্লেখনীয় অগ্রগতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

অৰুণাচল প্রদেশৰ জলবিদ্যুৎ ক্ষেত্রৰ সম্ভাৱনা সন্দৰ্ভত উপ-ৰাষ্ট্রপতিগৰাকীয়ে কয় যে ৰাজ্যখনৰ ৫০ হাজাৰ মেগাৱাট শক্তি সামৰ্থ্য আছে। তেওঁ কয় যে এক মেগাৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ ১০ কোটি টকা ব্যয়ৰ প্রয়োজন হয়। এই কথাই ৰাজ্যখনৰ জলবিদ্যুৎ খণ্ডত ৫ লাখ কোটি টকাৰ বৃহৎ বিনিয়োগৰ সম্ভাৱনাকে প্রতিপন্ন কৰে।

অনুষ্ঠানত অংশ লৈ কেন্দ্রীয় সংসদীয় পৰিক্রমা আৰু সংখ্যালঘু পৰিক্রমা মন্ত্রী কিৰেন ৰিজিজুৱে কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোডীৰ কাৰ্যকালত অৰুণাচল প্রদেশত নতুন পৰিৱৰ্তনৰ সূচনা হৈছে। তেওঁ কয়, সমগ্র অৰুণাচলক সামৰি শীঘ্রে সম্পূর্ণ হ'বলগীয়া ঘাইপথে প্রতিখন জিলা সদৰ সংযোগ কৰিব। তেওঁ কয় যে কেন্দ্রীয় চৰকাৰে ৰাজ্যখনত ৪২ হাজাৰ কোটি টকাৰ সীমান্ত ঘাইপথ প্রকল্পত অনুমোদন জনাইছে । বৃহৎ পৰিসৰত অনুমোদন পোৱা এয়া ভাৰতৰ প্ৰথমটো পথ প্রকল্প আৰু প্রধানমন্ত্রী মোডীৰ বাবেহে এয়া সম্ভৱ হৈ উঠিছে বুলি তেওঁ কয়।

০০০০

কেন্দ্রীয় বিত্ত মন্ত্রী নির্মলা সীতাৰমনে মধ্যবিত্ত শ্রেণীৰ কৃষক আৰু অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া কোম্পানীসমূহৰ বাবে লাভজনক বাজেট উত্থাপন কৰা বুলি কেন্দ্রীয় গৃহমন্ত্রী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে দাবী কৰিছে। কয়ম্বটুৰত আজি বিজেপিৰ কাৰ্যালয় মুকলি কৰি মন্ত্রীগৰাকীয়ে কয়, যে জনসাধাৰণৰ আস্থাৰ বাবেই প্রধানমন্ত্রী নৰেন্দ্র মোদী এইবাৰ তৃতীয়বাৰৰ বাবে ক্ষমতাত অধিস্থিত হৈছে। ওড়িশা, অন্ধ্ৰপ্ৰদেশ, দিল্লী, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যকেইখনৰ নিৰ্বাচনৰ পৰা জনসাধাৰণৰ যে ৰাষ্ট্রীয় বিকাশৰ কাৰ্যসূচী গ্ৰহণ কৰা চৰকাৰ বিচাৰে সেয়া প্রমাণিত হৈছে।

০০০০

কেন্দ্রীয় পেট্ৰ'লিয়াম আৰু প্রাকৃতিক গেছ মন্ত্রী হৰদীপ সিং পুৰীয়ে আজি মেঘালয়ৰ ৰি-ভই জিলা ভ্ৰমণ কৰি জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ পৰ্যালোচনা কৰে। তেওঁৰ এই ভ্ৰমণে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, আৰ্থিক অন্তৰ্ভুক্তি আৰু দক্ষতা বিকাশ তথা আন্তঃগাথনি-এই ৫ টা সূচকৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মন্ত্রীগৰাকীয়ে জিলাখনৰ উমদিহাৰ গাঁৱত আনাৰস প্রক্রিয়াকৰণৰ গোটটো পৰিদৰ্শন কৰে।

০০০০

কেন্দ্রীয় শিক্ষা ৰাজ্যমন্ত্রী তথা উত্তৰ পূৱ উন্নয়ন মন্ত্রী ড০ সুকান্ত মজুমদাৰে আজি উত্তৰ পূৱ পৰিষদৰ অন্তৰ্গত ১০ টা প্ৰকল্পৰ কাম ক্ষীপ্রতাৰে কৰিবলৈ মেঘালয় চৰকাৰক আহ্বান জনায়। কেন্দ্রীয় মন্ত্রী গৰাকীয়ে আজি ৰাজ্যখনত উত্তৰ-পূৱ পৰিষদৰ অন্তৰ্গত বিভিন্ন প্রকল্পসমূহৰ পৰ্যালোচনা কৰে। মেঘালয়ে ভিচন ২০৪৭ মাৰ্চ মাহত মুকলি কৰিব বুলি প্রকাশ কৰি কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয়, যে শীঘ্রেই উত্তৰ-পূৰ্বাঞ্চল দেশৰ শক্তি কেন্দ্রলৈ ৰূপান্তৰিত হ'ব।

০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উৰুগুৱে, বাহামাছ, বাৰবাডোছ আৰু নিকাৰাগুৱাৰ ৯ দিনীয়া ভ্ৰমণসূচীৰে পৰহিলৈ ৰাওনা হ'ব।

উৰুগুৱে ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে দেশখনৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি য়ামাণ্ডু অ'ৰছিৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ভ্ৰমণে উৰুগুৱেৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

পবিত্ৰ মাৰ্ঘেৰিটাৰ বাহামাছ ভ্ৰমণে যোৱা বছৰ নৱেম্বৰত গুয়ানাত অনুষ্ঠিত দ্বিতীয় ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত ভাৰত আৰু বাহামাছৰ প্ৰতিনিধিবৰ্গৰ মাজত হোৱা আলোচনাক আগুৱাই লৈ যাব। দুয়োখন দেশৰ মাজৰ বৰ্তমানৰ সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰৰ অন্বেষণ মন্ত্ৰীগৰাকীৰ এই যাত্ৰাৰ মূল উদ্দেশ্য বুলি কোৱা হৈছে।

বাৰবাডোছ ভ্ৰমণকালত শ্ৰী মাৰ্ঘেৰিটাই সফল ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ পাছত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ সন্মানীয় অৰ্ডাৰ অব্ ফ্ৰীডম অব্ বাৰবাডোছ সন্মান গ্ৰহণ কৰিব। ভাৰত-কেৰিক'ম শীৰ্ষ সন্মিলনৰ সময়ত এই সন্মান ঘোষণা কৰা হৈছিল।

এই ৯ দিনীয়া ভ্ৰমণৰ অন্তিম পৰ্যায়ত মন্ত্ৰীগৰাকী নিকাৰাগুৱালৈ যাব। তাত তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা এয়া প্ৰথম মন্ত্ৰী পৰ্যায়ৰ নিকাৰাগুৱা ভ্ৰমণ হ'ব। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰীগৰাকীয়ে এই চাৰিদেশীয় ভ্ৰমণকালত দেশ কেইখনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব আৰু ৰাজনীতি, ব্যৱসায় আৰু উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তি আৰু দেশকেইখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী মাৰ্ঘেৰিটাই ভ্ৰমণকালত দ্বিপাক্ষিক উন্নয়ন সহযোগিতা প্ৰকল্পৰ স্থলীসমূহো পৰিদৰ্শন কৰিব।

০০০০

৭ গৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে নীতিশ কুমাৰ নেতৃত্বাধীন বিহাৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হৈছে। ৰাজ্যপাল আৰিফ মহম্মদ খানে আজি পাটনাৰ ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত বিজেপিৰ ৭ গৰাকী বিধায়কক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য কৰোৱায়। শপত গ্ৰহণ কৰা মন্ত্ৰীসকলৰ ভিতৰত সঞ্জয় চৰাৱগি, কৃষ্ণ কুমাৰ মণ্টু, ড০ সুনিল কুমাৰ, মতিলাল প্ৰসাদ, ৰাজু কুমাৰ সিং, বিজয় কুমাৰ মণ্ডল আৰু জীবেশ কুমাৰ আছে। আজিৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পাছত নীতিশ কুমাৰ মন্ত্ৰীসভাত সদস্যৰ সংখ্যা মুখ্যমন্ত্ৰীসহ ৩৬ লৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বে আজি বিহাৰ বিজেপিৰ সভাপতি দিলীপ জয়ছোৱালে দলৰ এগৰাকী ব্যক্তি এটা পদ নীতি অনুসৰি মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে।

০০০০

চুডানৰ অমডাৰমান চহৰত সেনাবাহিনীৰ এখন বিমান দুৰ্ঘটনাত পতিত হোৱাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৬ লৈ বৃদ্ধি পাইছে। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰিছে যে উত্তৰ অমডাৰমানৰ খাৰ্টম'ৰ সমীপৱৰ্তী ৱাড়ি চেইদাহ এয়াৰ বেচৰ পৰা এণ্টনভ বিমানখনে উৰিবলৈ আৰম্ভ কৰোতেই দুৰ্ঘটনাটো সংঘটিত হয়। কাৰিকৰী বিজুতিৰ বাবে সংঘটিত বিমান দুৰ্ঘটনাটোত সেনা বাহিনীৰ লোকৰ লগতে সাধাৰণ নাগৰিকো নিহত হোৱা বুলি সেনা বাহিনীৰ সূত্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০

চৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘসমূহক বিত্তীয় সাহায্য প্ৰদানৰ নীতি নিয়মৰ সংশোধন কৰিবলৈ এখন ছজনীয়া কমিটি গঠন কৰিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ক্ৰীড়া বিভাগৰ যুটীয়া সচিব কুনালে এই কমিটিখনৰ নেতৃত্ব বহন কৰিব আৰু কমিটিখনে ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। পেৰিছ অলিম্পিক পাছত নতুন অলিম্পিক চক্ৰ আৰম্ভ হৈছে আৰু নতুন পৰিস্থিতিৰ নীতি নিয়মসমূহৰ পৰ্যালোচনা কৰাটো জৰুৰী হৈ পৰিছে। ৰাষ্ট্ৰীয় ক্ৰীড়া সংঘসমূহক বিত্তীয় সাহায্য প্ৰদানৰ নিয়মাৱলী ইয়াৰ পূৰ্বে ২০২২ চনত সংশোধন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে খেলুৱৈসকলৰ প্ৰশিক্ষণ আৰু অংশগ্ৰহণকে ধৰি বিভিন্ন ক্ৰীড়া গতিবিধিৰ বাবে সাহায্য যোজনাৰ অধীনত ৰাষ্ট্ৰীয় খেল সংঘসমূহক বিত্তীয় সাহায্য প্ৰদান কৰি আহিছে।

০০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক তীব্ৰ সমালোচনা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু সংখ্যালঘু সম্প্ৰদায়ৰ সকলো বৃত্তিতে হিতাধিকাৰীৰ সংখ্যা হ্ৰাস কৰিছে বুলি দাবী কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীৰিজিজুৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে পূৰ্বতে নোহোৱা ধৰণে সৰল কৰি তুলিছে। তেওঁ লগতে জলপানী, সুযোগ আৰু স্বচ্ছতা বৃদ্ধি পাইছে বুলিও কয়।

০০০০

শিৱৰাত্ৰি উপলক্ষে ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান সম্পন্ন কৰি ঘৰলৈ উভতি অহা মহাকুম্ভৰ ভক্তসকলৰ সুবিধাৰ্থে ৰে'ল বিভাগে আজি দুপৰীয়া ১২ বজালৈকে প্ৰয়াগৰাজৰ বিভিন্ন ষ্টেচনৰ পৰা ১৯৪ খন ৰে'লগাড়ী চলাচল কৰাইছে। ৰে'ল মন্ত্ৰালয়ে কৈছে যে এই ৰে'লগাড়ী সমূহেৰে প্ৰায় ১০ লাখ ভক্তই যাত্ৰা কৰিছে। মন্ত্ৰালয়ে কৈছে যে মহা শিৱৰাত্ৰিৰ স্নানৰ পাছত অতিৰিক্ত ৰে'লগাড়ী চলাচল কৰোৱাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে আৰু প্ৰয়াগৰাজৰ সমীপত অতিৰিক্ত ডবা সাজু কৰি তোলা হৈছে। ৰে'ল বিভাগে আজি প্ৰয়াগৰাজৰ পৰা ৩৫০ খনৰো অধিক ৰে'লগাড়ী চলাচল কৰাব। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰে'ল ব'ৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰে ভক্তসকলৰ সুবিধাৰ্থে আৰম্ভ কৰা এই বিশেষ ৰে'ল সেৱা সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

০০০০

সমাপ্ত